# মানুহৰ হিংস্ৰতাক উপহাস কৰি উজলিল মানুহৰ মৰম

**উৎপল কুমাৰ দাস**



*চিৰিয়াখানাত কলা কলাকৈ বাঢ়িছে কৰীনা*

বন্য পৰিৱেশত মুকলি বিচৰণ। ৰ'দ-বৰষুণৰ প্ৰতিকূলতাৰ মাজতে জীৱন নিৰ্বাহ। মাক-বাপেক, কেইটামান সমনীয়া আৰু আন বহুতৰ সৈতে এখন সুখৰ সংসাৰতেই আছিল তাই। মাকৰ কোলাই-বোকোচাই উঠি এজোপা গছৰপৰা আন এজোপালৈ বগাই ফুৰা, ভোক-পিয়াহ মানেই মাকৰ গাখীৰ— সেয়াই আছিল জীৱনৰ প্ৰাত্যহিকতা। তেতিয়া তাইৰ বয়স মাত্ৰ ডেৰ মাহ। তেনে সময়তে এদিন সেই সৰ্বনশীয়া ঘটনাটো ঘটিল। একেৰাহে হৈ থকা প্ৰচণ্ড বৰষুণৰ মাজতে ভোকৰ তাড়নাত নিৰাপদ আশ্ৰয়স্থলৰপৰা সিহঁতৰ জাকটো অলপ মুকলি অঞ্চললৈ ওলাই আহিছিল। তেতিয়াই কোনোবা লুভীয়া, নিষ্ঠুৰ মানুহে তলৰপৰা সিহঁতলৈ বুলি কাঁড় টোঁৱালে। জাকটো যেনি-তেনি ছেদেলি-ভেদেলি হৈ পলাল। পিছে তাৰ মাজতেই এপাট কাঁড়ে তাইৰ মাকৰ বুকু ভেদিলে। যন্ত্ৰণাকাতৰ চিঞৰ এটা মাৰি মাক তললৈ সৰি পৰিল। অৱশ্যে তাৰ আগতেই খামোচটো এৰুৱাই মাকে তাইক গছৰ ফেৰেঙণি এটাত বহুৱাই থৈ গ'ল। তাৰ পাছত এজাক উল্লসিত মানুহে তেজেৰে ৰাঙলী হৈ পৰা তাইৰ মাকজনীক লৈ চিঞৰ-বাখৰ কৰি কেনিবা আঁতৰি গ'ল। তাই মাথোন আতংকিত, বিস্ফাৰিত দৃষ্টিৰে চাই ৰ'ল সিহঁত নেদেখা হোৱালৈকে।

কি হ'ল, কি হ'ব একো বুজিব নোৱৰাকৈয়ে সেই গছজোপাতেই তাই ৰৈ গ'ল। দিন গ'ল, ৰাতি হ'ল। ৰাতি পুৱাল, আকৌ এটা দিন আহিল। ভোকে-পিয়াহে, দুখে-শংকাই তাই তাতেই বহি থাকিল। তেনে অৱস্থাতেই তাই আকৌ এবাৰ মানুহৰ চকুত পৰিল। এইবাৰ এজাক নহয়। এজন মানুহৰ। খাকী পোছাক পিন্ধা মানুহজনে তাইলৈ চাই থকা দেখি তাই আকৌ ভয় খালে। পিছে তাই কৰিব পৰাত একো নাছিল। দৌৰি, জঁপিয়াই পলাব পৰা শক্তি অথবা সামৰ্থ্য কোনোটোৱেই তাইৰ নাছিল। মানুহজনে আন এজনৰ সহায় লৈ তাইক গছৰপৰা নমাই লৈ আহিল। নিজৰ দুৰ্ভাগ্য আৰু দুৰৱস্থাৰ বাবে সেই সময়ত তাই হয়তো ভয় খাবলৈকো পাহৰি গৈছিল। পিছে এইজন মানুহ ধনু-কাঁড় লৈ ঘূৰি ফুৰা জাকটোৰ দৰে নাছিল।

যোৱা ২৫ মে'ৰ কথা। আওজাৰগুৰিত বৰষুণত জুৰুলি-জুপুৰি হৈ, শুকাই-খীণাই মৰোঁ মৰোঁ অৱস্থাত থকা সোণালী বান্দৰৰ পোৱালিজনী দেখা পাই চিৰাঙৰ বেংতল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হাইদৰ আলী আহমেদ নামৰ পশুপ্ৰেমী লোকজনে তাইক গছৰপৰা নমাই আনি ঘৈণীয়েকৰ হাতত তুলি দিছিল। ইয়াৰ আগেয়েও তেওঁলোকে সময়ে সময়ে আঘাতপ্ৰাপ্ত, আশ্ৰয়হীন জীৱজন্তু, চৰাই-চিৰিকটিৰ শুশ্ৰূষা কৰি আহিছে। পাহাৰ, হাবি, গছ-গছনিয়ে ঘেৰা অঞ্চলটোত সেইবোৰ চিকাৰ কৰি খোৱা লোকৰো অভাৱ নাই। সাদৰী মানুহগৰাকীয়ে সেয়ে মাতৃৰ মমতাৰে তাইৰ আপডাল কৰি, হাগিজ আৰু গাখীৰৰ বটল কিনি আনি কম সময়তে তাইক সুস্থ কৰি তুলিলে। তেনেদৰেই মাক-বাপেকে ভয় কৰিবলৈ শিকোৱা আৰু চকুৰ আগতেই নিষ্ঠুৰতাৰ উমান পোৱা মানুহ নামৰ দুঠেঙীয়া প্ৰাণীবিধৰ ওচৰ সান্নিধ্যত প্ৰথমে আচহুৱা যেন লগা পৰিৱেশ এটাতেই তাই লাহে লাহে সহজ হৈ পৰিল। সিদিনা ৰাতি তাই ফাতেমা খাতুনৰ লগত একেখন বিছনাতে শুলে। তাইৰ অকণমানি গাটো ঢাকি দিয়া পাতল কাপোৰখনে বৰষুণৰ বতৰৰ জাৰৰপৰা তাইক আঁতৰাই ৰাখিলে ঠিকেই, কিন্তু হ'লেও মাকৰ নোমাল শৰীৰটোৰ উমখিনিলৈ, একেলগে ঘূৰি ফুৰা জাকটোলৈ তাইৰ চেৰেং চেৰেংকৈ মনত পৰি থাকিল। পাছদিনা হাইদৰ আলী আহমেদৰপৰা খবৰ পাই বন বিভাগৰ উচ্চপদস্থ বিষয়া এগৰাকী তাইক নিবলৈ আহিল। পিছে ফাতেমা খাতুনে মাকৰ বুকুৰ উমেৰে লৈ থকা পোৱালিটোক লৈ যাবলৈ বিষয়াগৰাকীৰ সত নগ'ল। নিঠৰুৱা সোণালী বান্দৰৰ পোৱালিজনীক চৰকাৰী নিয়ম-নীতিৰ মাজেৰে সম্ভৱপৰ সুৰক্ষিত আশ্ৰয় দিয়াৰ উপায় বিচাৰি বন প্ৰাধিকাৰী ব্ৰহ্মানন্দ পাতিৰিয়ে এইবাৰ কথা পাতিলে গুৱাহাটী ৰাজ্যিক চিৰিয়াখানাৰ কৰ্তৃপক্ষৰ সৈতে। চিৰিয়াখানাৰ প্ৰাধিকৰণ বিষয়া তেজাছ মৰিস্বামীৰ তৎপৰতাত পাছদিনা ৰাতিপুৱাতেই এখন গাড়ী গুৱাহাটীৰপৰা ৰাওনা হ'ল আৰু বেংতলৰ হাইদৰ আলী আহমেদ-ফাতেমা খাতুনৰ ঘৰৰপৰা তাইৰ ঠিকনা সলনি হ'ল ৰাজ্যিক চিৰিয়াখানালৈ। কৰ'নাৰ ত্ৰাসৰ ৰেশ ৰাখি তাই নাম পালে কৰীনা।

মুখ্য জন্তুপালক ৰজনীকান্ত ডেকাৰ অভিভাৱকসুলভ তত্ত্বাৱধান আৰু আনসকলৰ আদৰ-যত্নত আপোনজনৰপৰা আঁতৰত এতিয়া তাই ক্ৰমান্বয়ে এটা নতুন জীৱনৰ সৈতে অভ্যস্ত হ'বলৈ লৈছে। মুকলিমূৰীয়া জীৱনটো হেৰুৱাৰ দুখ নিশ্চয় আছে, হ'লেও ইয়াত তাইৰ পৰিচৰ্যা, শুশ্ৰূষাৰ কোনো ত্ৰুটি হোৱা নাই বুলি নিঃসন্দেহে ক'ব পাৰি।

কৰ'নাৰ সংক্ৰমণৰ আশংকাত সম্প্ৰতি দৰ্শনাৰ্থীৰ বাবে চিৰিয়াখানা বন্ধ হৈ আছে। তাৰ মাজতে সিদিনা কৰীনাৰ খবৰ ল'বলৈ গ'লোঁ। গৈ চিৰিয়াখানাৰ দায়িত্বত থকাসকলৰ কৰ্তব্য সচেতনতা আৰু দায়িত্ববোধ দেখি, এই দুৰ্যোগৰ দিনতো, আশ্বস্ত হ'লোঁ। ক'ভিডসৃষ্ট লকডাউনৰ এই জটিল পৰিস্থিতিত লোকচক্ষুৰপৰা আঁতৰত, বিশেষ পৰিচৰ্যাৰ প্ৰয়োজন থকা এচাম অমাত প্ৰাণীৰ দায়িত্বত থকা ভিন ভিন পৰ্যায়ৰ প্ৰতিজন কৰ্মীয়েই অতিশয় নিষ্ঠাসহকাৰে তেওঁলোকৰ দায়িত্ব পালন কৰিছে। পশু-পক্ষীৰ সুৰক্ষাৰ প্ৰতি থকা দায়বদ্ধতা স্পষ্ট ৰূপত প্ৰতিফলিত কৰি বাহিৰৰ পৃথিৱীখনৰপৰা যোৱা মোক ভিতৰলৈ সোমাবলৈ অনুমতি দিয়াৰ পূৰ্বে তেওঁলোকে সম্পূৰ্ণৰূপে সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিলে। পৰৱৰ্তী সময়ত বেংতলৰ আঁত ধৰি যোৱা কৰীনাৰ আপোনজন বুলি গণ্য কৰা বাবেই হয়তো তাইৰ সাক্ষাতৰ অনুমতি পালোঁ ঠিকেই, কিন্তু তাতো অধিক সাৱধানতা অৱলম্বন কৰিবলগীয়া হ'ল। মুখ্য জন্তুপালক ডেকা ডাঙৰীয়াই নিজে লগত থাকি পাহাৰৰ ওপৰত বিশেষ আপডালেৰে ৰখা জীৱজন্তুৰ